আসক্তি বিচাৰৰদ্বাৰা বাক্যৰ গঠন প্ৰণালী আৰু বাক্যৰ সম্পূৰ্ণ অৰ্থ বুজিব পাৰি।

**৯.০৩ বাক্যতত্ত্বৰ বিশ্লেষণ ঃ**

ভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বিশ্লেষণতকৈ বাক্যতাত্ত্বিক বিশ্লেষণ অতি জটিল আৰু অতিশয় গুৰুত্বপূৰ্ণ। 'Syntax' এই অভিধাটো প্ৰাচীন লেখকসকলে ব্যৱহাৰ কৰি আহিছে। এপোলোনিওছ ডুস্কোলেছ (Apolonius Dyscolus)ৰ 'Peri syntaxeos' গ্ৰন্থত পোনপ্ৰথম 'Syntax' এই অভিধাটো অন্তৰ্ভুক্ত হৈছিল। প্লেটোৰ শিষ্য এৰিষ্টটলে 'ক্ৰেটিলাচ' (Cratylus) গ্ৰন্থত বিশ্লেষণাত্মক দৃষ্টিভংগীৰে ভাষাৰ আলোচনাত প্ৰবৃত্ত হৈছিল। তেওঁ বাক্যক কৰ্তা (Subject) আৰু ক্ৰিয়া (Predicate) দুটা ভাগত ভাগ কৰিছে। গ্ৰীক দাৰ্শনিকসকলেও পদ প্ৰকৰণ (Parts of Speech)ৰ অৰ্থ বাক্যৰ প্ৰকৰণ (Part of Sentence) বুলিহে ব্যক্ত কৰিছিল। গ্ৰীক বৈয়াকৰণ এপোলোনিওছ ডুস্কোলেছ আৰু তেওঁৰ পুত্ৰ হেৰোডিয়ানুছে (Herodianus) পদক আঠ প্ৰকাৰত ভাগ কৰি আলোচনা কৰাৰ উপৰি বাক্যতত্ত্ব (Syntax) আৰু সুৰাঘাত (Pitch accent)ৰ সম্বন্ধেও আলোচনা

কৰি গ্ৰীক ব্যাকৰণক পূৰ্ণাংগ ৰূপ দিছিল। গ্ৰীকসকলৰ পাছত ৰোমানসকলে বিশেষকৈ বেৰো (Vero) এ ভাষাৰ ব্যুৎপত্তি (Etymology), ৰূপতত্ত্ব (Morphology) আৰু বাক্যতত্ত্ব (Syntax) এই তিনিওটা দিশৰ বিষয়ে ব্যাকৰণত আলোচনা কৰিছিল। কিন্তু বাক্যতত্ত্বৰ আলোচনা বিজ্ঞানভিত্তিক আছিল যদিও সীমাবদ্ধতাও আছিল।

পঞ্চাশৰ দশকৰ পাছৰ পৰা আধুনিক ভাষাবিজ্ঞানীসকলে বাক্যতাত্ত্বিক অধ্যয়নত অধিক গুৰুত্ব প্ৰদান কৰি আহিছে। ফলস্বৰূপে, ভাষাবিজ্ঞানীসকলে উক্ত দিশত নতুন নতুন সূত্ৰ উদ্ভাৱন কৰি নতুন ধৰণৰ চিন্তা-চৰ্চাৰ বাট মুকলি কৰিছে। বাক্যৰ পদ গঠনৰ স্বাভাৱিক ৰীতিৰ বিশ্লেষণৰ বিষয়ে প্ৰথম লিউনাৰ্ড ব্লুমফিল্ডে (Leonard Bloomfield) 'Language' নামৰ গ্ৰন্থত উল্লেখ কৰে আৰু এইক্ষেত্ৰত আসন্ন অংগ বিচাৰ (Immediate Constituent analysis) পদ্ধতিৰ কথাও উল্লেখ কৰে। ইয়াক চমুকৈ I.C. বুলি কোৱা হয়। এই I.C.ক নিদা (Nida) আৰু জেইলচ হেৰিছ (Zells Harris)-এ বহলভাৱে বিকাশ ঘটায়। ষাঠিৰ দশকৰ পাছত নোৱম চমস্কি (Noam Chomosky)-এ 'Syntactic Structure' (1957) আৰু 'Aspects of the Theory of Syntax' (1965) নামৰ দুখন গ্ৰন্থত বাক্যতাত্ত্বিক দিশত নতুন তত্ত্বৰ সন্ধান দিয়ে। চমস্কিয়ে মৌলিক চিন্তা আৰু গৱেষণাৰ জৰিয়তে আধুনিক ভাষাবিজ্ঞানৰ ক্ষেত্ৰখনত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। 'Syntactic Structure' গ্ৰন্থত চমস্কিয়ে 'ৰূপান্তৰ সৃজনীশীল ব্যাকৰণ' (Transformational Generative Grammar)ৰ তত্ত্ব উত্থাপন কৰে। এই গ্ৰন্থত ব্যক্ত কৰা মতসমূহত পূৰ্বসূৰী ব্লুমফিল্ডৰ মতবাদৰ প্ৰতিফলন ঘটিছে যদিও চমস্কিৰ ব্যাকৰণ 'বাক্যতত্ত্ব+ধ্বনিতত্ত্ব' এই দুয়োটা সম্পৰ্ক নিৰ্ভৰ, বিশেষকৈ ই অৰ্থ নিৰ্ভৰ। বৰ্ণনাত্মক ভাষাবিজ্ঞানত কোনো ভাষাৰ ধ্বনিৰ সংযোগ আৰু ৰূপৰ সংযোগ বিশ্লেষণৰ মাজতে সীমাবদ্ধ থাকে। কিন্তু চমস্কিৰ মতে, ভাষাৰ ধ্বনিৰ সংযোগ আৰু ৰূপৰ সংযোগ বাহ্যিক সংগঠন মাথোন। বাক্য সৃষ্টি হয় মানুহৰ অন্তৰ্লীন আৰু আভ্যন্তৰীণ ভাষা চেতনাৰ পৰা। মানুহৰ অন্তৰ্লীন জ্ঞান বা ভাষাগত পাৰদৰ্শিতা (Linguistic Compentence) থকাৰ বাবে মানুহে একেখিনি ধ্বনি বা ব্যাকৰণৰ নিয়মাৱলীৰ মাজেদি নিত্য নতুন বাক্য উৎপাদন কৰিব পাৰে। এনেদৰে চমস্কিয়ে বাক্য সৃষ্টিৰ সম্পৰ্কে নতুন তত্ত্ব আগবঢ়াইছে। চমস্কিৰ মতে — খণ্ডবাক্য গঠনৰ নিয়মেৰে (Phrase Structural Rule) বাক্য এটাৰ গঠনৰ বিশ্লেষণ কৰিব পাৰি। বাক্য গঠনৰ দুটা স্তৰ হৈছে — বাহ্যিক (Surface) আৰু আভ্যন্তৰীণ (Deep) গঠনৰ স্তৰ। বাক্যৰ এই দুই গঠনৰ মাজত চমস্কি আৰু তেওঁৰ অনুগামীসকলে ভেদ

ঠাবৰ কৰিছে।

ফিলমোৰ (Filmore)-এ নোৱম চমস্কিৰ 'ৰূপান্তৰ উৎপাদক ব্যাকৰণ'লৈ এক নতুন সংশোধনী ৰূপ আগবঢ়ায়। বাক্যৰ অন্তৰ্লীন গাঁথনিত কেতবোৰ ৰূপান্তৰ নিয়ম প্ৰয়োগ কৰি বাক্যৰ বাহ্যিক গাঁথনি তৈয়াৰ কৰা হয়। ফিলমোৰৰ মতে — বাক্য গঠনৰ মূল উপাদান দুটা — এটা হৈছে ক্ৰিয়া খণ্ডবাক্য আৰু আনটো হৈছে এটা বা তাতোকৈ অধিক বিশেষ্য খণ্ডবাক্য। খণ্ডবাক্যই প্ৰত্যেকটো কাৰকবাচক পদৰ লগত ক্ৰিয়াৰ সম্বন্ধ নিৰ্ণয় কৰে। K. L. Pikeৰ 'Tagmimics' আৰু Michael Hallidayৰ 'Systemic Grammar'ত বাক্যতাত্ত্বিক দিশত নতুন নতুন চিন্তা দাঙি ধৰিছে। উক্ত সকলো গ্ৰন্থত বাক্য সম্পৰ্কে যিবোৰ বিশ্লেষণী তত্ত্ব আগবঢ়াইছে, এই সকলোবোৰৰ প্ৰধান উদ্দেশ্য হৈছে, বাক্যৰ মূল গাঁথনিৰ স্বৰূপ আৱিষ্কাৰ কৰা। পৃথিৱীৰ ভাষাসমূহত ব্যৱহাৰ হোৱা বাক্যসমূহৰ প্ৰকৃতি আৰু স্বৰূপসমূহৰ নিৰ্ণয়ত এই পদ্ধতিসমূহ খটুৱাব পাৰি।

বাক্য বিশ্লেষণৰ এই নতুন ধাৰাসমূহৰ কথা ভাষাবিজ্ঞানীসকলে যিমানেই নকওক, বাক্য বিশ্লেষণ সম্পৰ্কীয় যিবোৰ প্ৰচলিত ধাৰা চলি আহিছে, সেইবোৰতকৈ এই নতুন ধাৰাবিলাকে বিশেষ অভিনৱত্ব দাবী কৰিব পাৰিছে বুলি ক'ব নোৱাৰি।


বাক্যতত্ত্বৰ আলোচনাত বাক্যসমূহৰ ব্যাকৰণগত বিশ্লেষণ (Grammatical Analysis) আগবঢ়োৱা হয়। ভাষাত ব্যৱহৃত বাক্যবোৰৰ বিশ্লেষণ খণ্ডিতকৰণ (Segmentally) প্ৰক্ৰিয়াৰে কৰিব পাৰি। বাক্য কিছুমান স্তৰৰ সমষ্টি, যেনে — ধ্বনি, অক্ষৰ, প্ৰাকৃতি, শব্দ, খণ্ডবাক্য, বাক্যাংশ। এই স্তৰ বা অংগসমূহক এটাৰ পিছত এটাকৈ গাঁথনি কৰা হয়। বাক্যৰ এই অংগ বিশ্লেষণ প্ৰক্ৰিয়াই হৈছে, বাক্যতাত্ত্বিক আলোচনাৰ প্ৰধান বিষয়। বাক্যত ব্যৱহৃত এই অংগবোৰ একাদিক্ৰমে খণ্ডিত কৰি কৰা বিশ্লেষণক অনুক্ৰম বিশ্লেষণ (Segmentally Analysis) বোলা হয়।

বাক্যতত্ত্বৰ আলোচকসকলে বাক্যৰ দুটা বৃহৎ ভাগৰ কথা কৈ আহিছে। এটা হৈছে — উদ্দেশ্য (Subject) আৰু আনটো হৈছে বিধেয় (Predicate)। আনহাতে — বাক্যত সাধাৰণতে দুটা খণ্ডবাক্য থাকে। যেনে — বিশেষ্য খণ্ডবাক্য (Noun Phrase) আৰু ক্ৰিয়া খণ্ডবাক্য (Verb Phrase)। বাক্যতত্ত্বৰ আলোচনাত বাক্য গঠনৰ এনেবিলাক কথা বিশ্লেষণ কৰা হয়।

৯.০৩.০১ লিওনাৰ্ড ব্লুমফিল্ডে[৪] বাক্যৰ দুই প্ৰকাৰৰ গঠনৰ কথা কৈছে। যেনে —

(১) অভিকেন্দ্ৰিক গঠন (Exocentric Construction)।

২। অন্তঃকেন্দ্ৰিক গঠন



প্ৰধান অংগ। যিহেতু এটাৰ ঠাইত আনটো বহুৱাব পাৰি। প্ৰধান অংগবোৰৰ লগত নিকটস্থ অংগ ৰামৰপৰা, কেতিয়াবাহি, পঢ়িবলৈ আদিৰ সম্পৰ্ক আছে। প্ৰধান অংগৰ নিকটস্থ অংগবোৰৰ গঠনক আন্তঃকেন্দ্ৰিক গঠন বোলা হৈছে।

(৩) সৰল অসমীয়া বাক্যৰ স্বাভাৱিক গঢ় হ'ল — কৰ্তা + কৰ্ম + ক্ৰিয়া (s-o-v)। বাক্যত সংযোগ ঘটা প্ৰত্যেকটো পদৰ মাজত অৰ্থগত আৰু ৰূপগত যোগ্যতা থাকে। সাধাৰণতে বাক্যৰ প্ৰধান অংগ সম্বন্ধ পদৰ বাহিৰে বাকী কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত, অপাদান, অধিকৰণ আদি প্ৰত্যেকটো কাৰকবাচক পদৰ লগত ক্ৰিয়া পদৰ সম্পৰ্ক ৰক্ষা কৰিয়েই বাক্য গঠন কৰা হয়। যেনে —

কৰ্তা + ক্ৰিয়া — মই খাওঁ ।

কৰ্তা + কৰ্ম + ক্ৰিয়া — মই ভাত খাওঁ।

কৰ্তা + কৰণ + কৰ্ম + ক্ৰিয়া — মই হাতেৰে ভাত খাওঁ।

কৰ্তা + নিমিত্ত + কৰণ + কৰ্ম + ক্ৰিয়া — মই ভোক গুচাবলৈ হাতেৰে ভাত খাওঁ।

কৰ্তা + অপাদান + কৰ্ম + ক্ৰিয়া — মই কাঁহীৰপৰা ভাত খাওঁ।

কৰ্তা + অধিকৰণ + কৰ্ম + ক্ৰিয়া — মই কাঁহীত ভাত খাওঁ।

এনেদৰে বিভিন্ন কাৰকবাচক পদৰ লগত সংগতি ৰক্ষা কৰি ভিন্ন বাক্য গঠন কৰা হয়। বাক্যত ব্যৱহৃত পদবোৰৰ খণ্ডিতকৰণৰ জৰিয়তে বাক্য বিশ্লেষণ কৰিব পাৰি।

৯.০৩.০২ নোৱম চমস্কিৰ 'Aspects of the Theory of Syntax' গ্ৰন্থত আগবঢ়োৱা ব্যাকৰণৰ তত্ত্বক 'Standard Theory' বুলি জনা যায়। চমস্কিয়ে এই গ্ৰন্থত দাঙি ধৰা Standard Theoryৰ মতে, ভাষাৰ গঠন প্ৰণালীৰ চাৰিটা স্তৰ আছে। এই স্তৰকেইটা হৈছে — ধ্বনিস্তৰ, অৰ্থস্তৰ আৰু বাক্যৰ দুই স্তৰ। বাক্যৰ দুই স্তৰ হৈছে — বাক্যৰ বাহ্যিক গাঁথনি (Surface Structure) আৰু বাক্যৰ আভ্যন্তৰীণ গাঁথনি (Deep Structure)। চমস্কিৰ মতে, ভাষা হ'ল মানুহৰ সৃষ্টিশীল চেতনাৰ ফল। এজন মানুহে ভাবৰ আদান-প্ৰদান কৰোঁতে তেওঁ ব্যৱহাৰ কৰা প্ৰতিটো বাক্যতে অভিনৱ ৰূপ পোৱা যায়। মানুহৰ সৃজনীশীল ক্ষমতাৰ দুটা দিশ। যেনে —

(ক) ভাষাগত পাৰংগমতা (Linguistic Compentence)

(খ) ভাষাৰ বাক্ ব্যৱহাৰ (Linguistic Performance)

মানুহে দৈনন্দিন জীৱনত কথা-বতৰা পাতোঁতে যিবোৰ বাক্য ব্যৱহাৰ কৰে সেইবোৰত বাক্য গঠনৰ সম্ভাৱনা শেষ হৈ নাযায়। দুজন মানুহে একেটা কথাকে

প্ৰকাশ কৰিবলৈ অবিকল একেবোৰ শব্দাৱলী বা বাক্য ব্যৱহাৰ নকৰে। ব্যক্তি বিশেষে প্ৰকাশভংগীও বেলেগ বেলেগ হোৱা দেখা যায়। তদুপৰি, মানুহে নতুন পৰিস্থিতি, পৰিৱেশ সাপেক্ষে ভাবৰ আদান-প্ৰদান কৰোঁতে বাক্য গঠনত অভিনৱত্বৰ প্ৰকাশ ঘটে। আনহাতে বক্তাই কোৱা কথাবোৰত অভিনৱত্ব প্ৰকাশ পালেও শ্ৰোতাই অৰ্থ উপলব্ধি কৰাত অসুবিধা নহয়। অভিনৱত্ব বাক্য গঠন মানুহৰ চেতনাত ভৱিষ্যতৰ বাবে এটা আদৰ্শ স্বৰূপে ৰৈ যায়। বাস্তৱত প্ৰকাশ পোৱা ভাষাৰ ৰূপটোক বাস্তৱ বাক্ ব্যৱহাৰ (Performance) আৰু ভৱিষ্যত আদৰ্শ স্বৰূপে ৰৈ যোৱা ৰূপটোক ভাষাগত পাৰংগমতা বা বাক্যসৃষ্টিৰ অন্তৰ্লীন জ্ঞান বুলি কোৱা হৈছে।

প্ৰত্যেকজন বক্তা বা শ্ৰোতাই ভাষাৰ জ্ঞান ব্যক্ত কৰা 'Generative Grammar' (সৃজনীশীল ব্যাকৰণ) আয়ত্ত কৰে। মানুহৰ ভাষা জ্ঞান থকাৰ বাবেই বক্তাই নতুন নতুন ভাব প্ৰকাশক বাক্য ব্যক্ত কৰিলেও শ্ৰোতাই সহজে বুজি পায়। ই হ'ল মানুহৰ অসচেতন ক্ষমতা।

নোৱম চমস্কিয়ে দাঙি ধৰা বাক্যগত উপাদানবোৰ তলৰ ৰেখাচিত্ৰত দেখুওৱা হৈছে —

